- ■ এনে উৎপীড়নৰ বিষয়ে উচ্চ বিষয়াক লিখিত বা মৌখিকভাৱে জনাওক।
- ■ উল্লেখযোগ্য ব্যক্তি, পুলিচ, পঞ্জীয়নভুক্ত বেচৰকাৰী সংস্থা আদিৰ সহায় লওক।

## যৌন উৎপীড়ন কেনেদৰে বন্ধ কৰিব

প্ৰত্যেক কৰ্মস্থলীতে যাতে মহিলাৰ ওপৰত যৌন উৎপীড়ন নহয় তাৰ বাবে-

- ■ কৰ্মস্থলীত অনুকূল বাতাবৰণৰ সৃষ্টি কৰক।
- ■ কৰ্মস্থলীত মহিলাৰ ওপৰত হোৱা যৌন উৎপীড়নৰ বিৰুদ্ধে উচিত বিচাৰ কৰক।
- ■ মহিলাসকলক নিযুক্তিৰ সৈতে জৰিত বৰ্তমান আৰু ভৱিষ্যতৰ চৰ্তসমূহ স্পষ্ট কৰক।
- ■ মহিলাসকলৰ কামত বিনা কাৰণত হস্তক্ষেপ নকৰিব আৰু তেওঁলোকক ভীতিগ্ৰস্ত কৰা বা ধমক দিয়া কাৰ্য্য আদি নকৰিব।
- ■ মহিলাসকলক সুৰক্ষা প্ৰদান কৰিব পৰা ব্যৱস্থা কৰক।

## নিয়োগকাৰীৰ দায়িত্ব/কৰ্তব্য

- ■ অনুশাসনমূলক নিয়মবোৰৰ ভিতৰত যৌন উৎপীড়ন বন্ধ কৰাৰ নিয়মবোৰো অন্তৰ্ভুক্ত কৰিব।
- ■ নিয়ম পালন নকৰা ব্যক্তিসকলৰ বাবে উপযুক্ত শাস্তি প্ৰদানাৰ ব্যৱস্থা ৰাখিব।
- ■ কাম, বিৰতি আৰু স্বচ্ছতা সম্বন্ধীয় সুবিধাৰ অৰ্থে মহিলাসকলৰ বাবে উপযুক্ত ব্যৱস্থা কৰক।
- ■ কৰ্মচাৰীসকলৰ সৈতে হোৱা আলোচনা পৰ্ব আৰু আন সভা সমিতিত যৌন উৎপীড়ন সম্বন্ধীয় আলোচনা কৰক।
- ■ এই বিষয়ে কৰ্মীসকলৰ মাজত বিশেষকৈ মহিলা সকলৰ মাজত জাগৰণ সৃষ্টি কৰাক।
- ■ কৰ্মস্থলীত যদি কোনো ব্যক্তিৰ দ্বাৰা যৌন উৎপীড়ন হয়, তেনেহ'লে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰক।
- ■ যৌন উৎপীড়ন বন্ধ কৰাৰ বাবে আভ্যন্তৰীণ সক্ষম সমিতি গঠন গৰক।

## অধিক জানিবলৈ গাঁও বুঢ়া, লোক শিক্ষা কেন্দ্ৰৰ প্ৰেৰকক লগ ধৰক।

- ■ যৌন উৎপীড়ন বিচাৰ সম্পৰ্কত আভ্যন্তৰীণ সক্ষম সমিতি বা স্থানীয় সমিতিৰ দ্বাৰা বিচৰা তথ্যৰ যোগান ধৰক।
- ■ আভ্যন্তৰীণ সক্ষম সমিতি/স্থানীয় বিচাৰ সমিতিৰ সন্মুখত দোষী আৰু সাক্ষীৰ উপস্থিতি নিশ্চিত কৰক।

**এই কথাবোৰ প্ৰচাৰ কৰো আহক।**
**মহিলাক সন্মান কৰক।**

Government of India
ন্যায় বিভাগ
বিধি আৰু ন্যায় মন্ত্ৰালয়, ভাৰত চৰকাৰ

সাক্ষৰ ভাৰত
ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ বিকাশ মন্ত্ৰালয়, ভাৰত চৰকাৰ
website :: www.srcguwahati.in

সাক্ষৰ ভাৰত
আইনী সাক্ষৰতা শৃংখলা - ৪

# কৰ্মস্থানত যৌন উৎপীড়ন নিবাৰণ আইন ২০১৩



# যৌন উৎপীড়ন নিবাৰণ আইন ২০১৩

কৰ্মস্থলীত মহিলাসকলে যৌন উৎপীড়নৰ সন্মুখীন হ'ব লগা হয়। এনে পৰিস্থিতিত মহিলাসকলক ন্যায় প্ৰদানৰ বাবে চৰকাৰে এইন আইন প্ৰস্তুত কৰিছে। এই আইনখনৰ নামেই হ'ল 'কৰ্মস্থলীত মহিলাক যৌন উৎপীড়ন নিবাৰণ আইন, ২০১৩'। এতিয়া কৰ্মস্থলীত মহিলাই সুৰক্ষিত অনুভৱ কৰিব। চৰকাৰে যৌন উৎপীড়ন বন্ধ কৰাৰ উদ্দেশ্যে এই আইনখন প্ৰস্তুত কৰিছে। আইনমতে কৰ্মস্থলীত যিকোনো শাৰীৰিক সম্পৰ্ক কৰা, সম্পৰ্কৰ চেষ্টা কৰা বা সেই বিষয়ত ইংগিত দিয়াতো যৌন উৎপীড়ন বুলি ধৰা হ'ব। অশ্লীল ইংগিত, ফটো দেখুৱা বা অশ্লীল আওভাও দেখুৱালে তাক যৌন উৎপীডড়ন বুলি ধৰা হ'ব।

## যৌন উৎপীড়ন

- কোনো ব্যক্তিৰ দ্বাৰা মহিলাৰ লগত শাৰীৰিক সম্পৰ্ক কৰা, জোৰ জবৰদস্তি কৰা, অনুসৰণ কৰা, বাক্যবাণ নিক্ষেপ কৰা ইত্যাদি।
- প্ৰত্যক্ষ বা পৰোক্ষভাবে যৌন সম্বন্ধীয় কথা পতা।
- অশ্লীল ফটো, কাৰ্টুন, চিনেমা, আপত্তিজনক চিঠি কিতাপ আদি দেখুওৱা।



- লাজ লগা কৌতুক শুনোৱা।
- অশ্লীল কথা কোৱা অথবা যিবোৰ কথাৰ দুটা অৰ্থ বুজায় তেনে কথা কোৱা ইত্যাদি।

## যৌন উৎপীড়নৰ বিষয়ে আপত্তি জনোৱা

- তিনি মাহৰ ভিতৰত আপত্তি জনাব লাগিব।
- কোনো মহিলাই যদি যৌন উৎপীড়নৰ কথা লিখিতভাৱে জনাব নোৱাৰে তেনে ক্ষেত্ৰত আভ্যন্তৰীণ সমিতি বা স্থানীয় সমিতিয়ে তেওঁক লিখিবভাৱে আপত্তি জনোৱাত সহায় কৰিব পাৰে।
- উৎপীড়িত মহিলাৰ শাৰীৰিক তথা মানসিক অৱস্থা ভাল নহ'লে বা তেওঁৰ মৃত্যু হ'লে আন ব্যক্তিয়ে আপত্তি জনাব পাৰে।
- উৎপীড়িত মহিলা আৰু দোষী ব্যক্তিগৰাকীৰ মাজত বুজা পৰা হ'লে মহিলাগৰাকীয়ে আপত্তি উঠাই ল'ব পাৰে।
- আপত্তি জনোৱাৰ বাবে প্ৰশ্ন কৰাৰ আগতেই তেওঁ আপত্তি উঠাই ল'ব পাৰে।
- আপত্তি সমাধানৰ ক্ষেত্ৰত কোনো ধৰণৰ ধনৰ লেন-দেন হ'ব নালাগিব।
- আভ্যন্তৰীণ সমিতি বা স্থানীয় সমিতিয়ে ঘটনাটোৰ সম্পূৰ্ণ প্ৰতিবেদন প্ৰস্তুত কৰি প্ৰতিবেদনত নিজৰ অভিমতৰ সৈতে জিলাৰ পদবীক আৰু নিয়োগ কৰ্তাক দাখিল কৰিব।

## আপত্তিৰ বিচাৰ/ গোচৰৰ বিচাৰ

- বিচাৰৰ সময় দীঘলীয়া হ'লে পীড়িত মহিলাগৰাকী আপত্তিৰ/ গোচৰৰ ওপৰত আভ্যন্তৰীণ সমিতি/ স্থানীয় সমিতিয়ে



নিয়োগকৰ্তাক তলৰ নিৰ্দেশবোৰ দিব পাৰে-

(ক) ভুক্তভোগী মহিলা বা যৌন উৎপীড়িত মহিলাগৰাকীক নিয়োগকৰ্তাই আন ঠাইত নিয়োগ কৰিব লাগে।

(খ) ভুক্তভোগী মহিলাগৰাকীকক তিনিমাহৰ বিশ্ৰাম দিয়া

(গ) অন্যধৰণে মহিলাগৰাকীলৈ সহায় আগবঢ়োৱা।

- বিচাৰ পূৰ্ণ হোৱাৰ ১০ দিনৰ ভিতৰত নিয়োগকৰ্ত্ত আৰু নিৰ্দিষ্ট ব্যক্তিক প্ৰতিবেদন দাখিল কৰিব।
- স্থানীয় সমিতিয়ে যদি বিচাৰ কাৰ্য্যত অভিযুক্ত ব্যক্তিক দোষী বুলি প্ৰমাণ কৰে, তেন্তে বিচাৰৰ প্ৰতিবেদন নিয়োগকৰ্তা তথা জিলা অধিকাৰীক দিব।

## ভুক্তভোগী মহিলাই কি কৰিব

- উৎপীড়ন কৰা ব্যক্তিক শাস্তি দিয়ক।
- উৎপীড়ন কৰা ব্যক্তিৰ অসভ্য আচৰণৰ কথা আন লোকক কওক।
- যৌন উৎপীড়নৰ বিৰুদ্ধে জনমত গঠন কৰক। ইয়াৰ বিৰুদ্ধে ৰাইজক একগোট কৰক।